আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত News Next Oneৰ বিশেষ সংযোজন অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, FEBRUARY 13, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৪৭ Guwahati, Assam ।। মূল্যঃ এটকা

## আবুধাবিত শ্বেখক আলিংগন





## দেশত অন্নদাতাক নিৰ্যাতন!

### ৰণক্ষেত্ৰত পৰিণত সিংগু, টিক্ৰী, গাজীপুৰ সীমান্ত

# ড্ৰোন উৰুৱাই কৃষকক বাধা প্ৰদান

নতুন দিল্লী, ১৩ ফেব্ৰুৱাৰীঃ কৃষক দৰদী নেতা তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধুৰী চৰণ সিঙক ভাৰত ৰত্ন বঁটা প্ৰদান কৰি দেশৰ কৃষকক আকৰ্ষিত কৰিবলৈ প্ৰয়াস কৰাৰ সময়তে নৰেন্দ্ৰ মোদী নেতৃত্বধীন চৰকাৰৰ বিৰুদ্ধে ৰাজপথলৈ ওলাই আহিছে দেশৰ কেইবাখনো ৰাজ্যৰ কৃষক। ৰাজপথলৈ ওলাই অহা কৃষকক বাধা দিবলৈ গৈ কেন্দ্ৰীয় চৰকাৰে ৰণক্ষেত্ৰত পৰিণত কৰিছে দিল্লী সীমান্তক। হাৰিয়ানা-দিল্লী, শেষাংশ ৩ পৃষ্ঠাত

## ৰাজ্যিক ফলৰ মৰ্যাদা নেমুলৈ

ই-সংবাদ, ১৩ ফেব্ৰুৱাৰীঃ গ্ৰাম্য অসমৰ ঘৰে ঘৰে উপলব্ধ ঔষধি গুণসম্পন্ন কাজি নেমুক 'জাতীয় ফল'ৰ মৰ্যাদা প্ৰদান ৰাজ্য চৰকাৰৰ ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বজাৰত শেষাংশ ৪ পৃষ্ঠাত

## বিজেপিত যোগ দিয়া চাহ জনগোষ্ঠীৰ নেতালৈ স্কৰ্পিঅ’

**ই-সংবাদ, ১৩ ফেব্ৰুৱাৰীঃ** শেহতীয়াকৈ কংগ্ৰেছ এৰি বিজেপিত যোগদান কৰা চাহ জনগোষ্ঠীৰ নেতাক বিলাসী গাড়ী উপহাৰ দিছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। ৮ জিলাৰ ব্লক পৰ্যায়ৰ নেতাক শেষাংশ ২ পৃষ্ঠাত

## আৰৱতো প্ৰধানমন্ত্ৰীৰ ‘গেৰাণ্টী’

### তৃতীয়বাৰৰ বাবে নিৰ্বাচনত জয়ী হ’বই!

**আবুধাবি, ১৩ ফেব্ৰুৱাৰীঃ** দেশৰ পৰিধি ভাঙি এইবাৰ বিদেশলৈ হিন্দুত্বৰ জয়গান। কাইলৈ অৰ্থাৎ ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিব মধ্যপ্ৰাচ্যৰ প্ৰথমটো হিন্দু মন্দিৰ। আবুধাবিৰ আবু মুৰেখাহ অঞ্চলত বচানবাসী অক্ষৰ পুৰুষোত্তম স্বামীনাৰায়ণ সংস্থা নামৰ হিন্দু পন্থাই নিৰ্মাণ কৰা এই মন্দিৰটোৰ উদ্বোধনৰ বাবে ইতিমধ্যে আবু ধাবিত উপস্থিত হৈছে প্ৰধানমন্ত্ৰী মোদী। আজি সন্ধিয়া ভাৰতৰ প্ৰধানমন্ত্ৰীগৰাকী আবুধাবিত উপস্থিত হোৱাৰ পিছতে তেওঁ ৰাষ্ট্ৰপতি শ্বেখ মহম্মদ বিন জায়েদ আল নাহিয়ানক সাক্ষাৎ কৰি আবুধাবিৰ প্ৰথমটো হিন্দু মন্দিৰ শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিত যোগ দিয়া চাহ

৮খন বিলাসী বাহন প্ৰদান কৰিছে মুখ্যমন্ত্ৰীয়ে৷ প্ৰায় ১ কোটি ২০ লাখ টকাৰ ৮খনকৈ স্কৰপিঅ' প্ৰদান কৰিছে৷ এখনকৈ স্কৰপিঅ'ৰ দাম প্ৰায় ১৫ লাখকৈ বুলি জানিব পৰা গৈছে৷ যিসকলে নেতাক গাড়ী প্ৰদান কৰিছে সেই নেতাসকল মৰিয়নীৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ ঘনিষ্ঠ আৰু বেছিভাগ যোৰহাট জিলাৰ বুলিও জানিব পৰা গৈছে৷ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে ফেচবুকত পোষ্ট দি গাড়ী প্ৰদানৰ কথা প্ৰকাশ কৰিছে৷ এটা ফেচবুক পোষ্টত বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে লিখিছে, 'অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ গতিশীল নেতৃত্বৰ প্ৰতি আকৃষ্ট হৈ কেইদিনমানৰ পূৰ্বে অসমৰ কেউটা চাহ মজদুৰ সংঘৰ শাখা সংঘই ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰিছিল। উক্ত সময়তে, অসম চাহ মজদুৰ সংঘৰ শাখা সংঘসমূহে বিশেষভাৱে ৰাইজৰ বিভিন্ন ওজৰ-আপত্তিৰ সংজ্ঞান ল'বলৈ আৰু শ্ৰমিক ৰাইজৰ বিভিন্ন সমস্যাসমূহ সংগ্ৰহ কৰিবলৈ তথা পৰিদৰ্শন কৰিবলৈ যাতায়তৰ বাবে একোখনকৈ গাড়ীৰ আৱশ্যকীয়তাৰ বিষয়ে অৱগত কৰিছিল৷ আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই শ্ৰমিক ৰাইজৰ প্ৰতি সন্মান জনাই তাৎক্ষণিকভাৱে একোখনকৈ বাহন দিয়াৰ প্ৰতিশ্ৰুতি আগবঢ়াইছিল। ইয়াৰ ফলস্বৰূপে, (আজি) মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ কাৰ্যালয় চৌহদত ৮ টা শাখা সংঘক একোখনকৈ 'SCORPIO' গাড়ী প্ৰদান কৰে।' যোৰহাট শাখা সংঘৰ মুখ্য উপদেষ্টা হিচাপে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ এই মহানুভৱতাৰ বাবে অলেখ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰা বুলিও পোষ্টটোত উল্লেখ কৰিছে মৰিয়নীৰ বিধায়কগৰাকীয়ে। পূৰ্বে আন ৰাজনৈতিক দলৰ ভাতৃ সংগঠনত জড়িত এইসকল নেতাক লাখ লাখ টকা খৰছ কৰি গাড়ী দিয়াৰ ঘটনাই চাহ বাগিচা এলেকাত চাঞ্চল্যৰ সৃষ্টি হৈছে৷ একাংশ চাহ জনগোষ্ঠীৰ নেতা অসন্তুষ্ট হোৱাও দেখা গৈছে৷ উল্লেখ্য যে, চাহ জনগোষ্ঠীৰ মুখ্য সমস্যা পাৰিশ্ৰমিক বৃদ্ধি৷ কিন্তু এই সমস্যা সমাধান কৰিব নোৱাৰা চৰকাৰে চাহ জনগোষ্ঠীৰ নেতাক
ভোটৰ লালসাত গাড়ী দিয়াৰ অভিযোগ উঠিছে৷ চাহ জনগোষ্ঠীৰ নেতাক প্ৰদান কৰা বিলাসী বাহনকেইখন মুখ্যমন্ত্ৰীয়ে ব্যক্তিগতভাৱে ক্ৰয় কৰিছে নে ৰাজকোষৰ ধনেৰে কিনা হৈছে সেই কথা এই পৰ্যন্ত জানিব পৰা হোৱা নাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰৱতো প্ৰধানমন্ত্ৰীৰ 'গেৰাণ্টী'

উদ্বোধন কৰাৰ পূৰ্বে আজি আবুধাবিৰ জায়েদ স্প'ৰ্টছ চিটি ষ্টেডিয়ামত অনুষ্ঠিত 'আহলান মোদী' অনুষ্ঠানত প্ৰৱাসী ভাৰতীয়সকলক সম্বোধন কৰে। আৰৱৰ মাটিতো নিজৰ ভাষণত মোদীয়ে নিৰ্বাচনী ৰণডংকা বজোৱা পৰিলক্ষিত হয়। ভাষণত মোদীয়ে মোদী গেৰাণ্টীৰ প্ৰসংগ উল্লেখ কৰি কয়, 'মোদীয়ে গেৰাণ্টি দিছে যে মোদীৰ তৃতীয় কাৰ্যকালত ভাৰতে বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হৈ পৰিব। মোদীৰ গেৰাণ্টি মানেই হৈছে গেৰাণ্টি সম্পূৰ্ণ কৰাৰ গেৰাণ্টি।' উল্লেখ্য যে, ১০৮ ফুট ওখ আৰু ২৬২ ফুট দৈৰ্ঘ্য আৰু ১৮০ ফুট বহল এই মন্দিৰটো ভাৰত আৰু সংযুক্ত আৰব আমিৰশ্বাহীৰ মাজত থকা সাংস্কৃতিক আৰু আধ্যাত্মিক সম্পৰ্কৰ প্ৰমাণ স্বৰূপে নিৰ্মাণ কৰা হৈছে। ইউ এ ই চৰকাৰে অনুদান হিচাপে আগবঢ়োৱা ২৭ একৰ বিশাল ভূমিত নিৰ্মাণ কৰা এই মন্দিৰটোৰ বাবে ভাৰতীয় মুদ্ৰাত প্ৰায় ৭০০ কোটি টকা ব্যয় কৰা হৈছে। ৰাজস্থানৰ বিশেষ গোলাপী ৰঙৰ শিল আৰু ইটালীৰ বগা মাৰ্বলেৰে নিৰ্মাণ কৰা এই ভব্য মন্দিৰটোত প্ৰতিফলিত হৈছে পৰম্পৰাগত কাৰুকাৰ্য্য আৰু আধুনিক প্ৰযুক্তিৰ মিশ্ৰণ। ১০ হাজাৰ লোকৰ বাবে বহিব পৰা বিএপিএছ হিন্দু মন্দিৰ কেৱল পূজাস্থলী নহয়, ইয়াত দৰ্শনাৰ্থী কেন্দ্ৰ, প্ৰাৰ্থনা গৃহ, প্ৰদৰ্শনী, শিক্ষণ স্থান, বিষয়ভিত্তিক বাগিচা আদিও আছে। প্ৰণিধানযোগ্য যে, ২০১৫ চনত প্ৰধানমন্ত্ৰীৰ আবুধাবি ভ্ৰমণৰ সময়ত আবুধাবিৰ ক্ৰাউন প্ৰিন্স শ্বেখ মহম্মদ বিন জায়েদ আল নাহিয়ানে হিন্দু মন্দিৰ নিৰ্মাণৰ বাবে ১৩.৫ একৰ ভূমি আগবঢাইছিল। ইয়াৰ পিছতে ২০১৭ চনত প্ৰধানমন্ত্ৰী মোদীয়ে আধাৰশিলা স্থাপন কৰিছিল মন্দিৰৰ। পৰৱৰ্তী সময়ত ২০১৯ চনত আবুধাবি চৰকাৰে পুনৰ মন্দিৰৰ বাবে ১৩.৫ একৰ ভূমি আগবঢ়ায়। বিএপিএছ বা বচাসনৱাসী অক্ষৰ পুৰুষোত্তম স্বামীনাৰায়ণ সংস্থা হৈছে এটা হিন্দু পন্থা। ভগৱান শ্ৰীকৃষ্ণৰ অৱতাৰ হিচাপে স্বামীনাৰায়ণৰ প্ৰতি থকা শ্ৰদ্ধাৰ বাবে পৰিচিত এই পন্থাই নেতৃত্ব দিছিল মন্দিৰ নিৰ্মাণৰ। বৈদিক স্থাপত্য আৰু ভাস্কৰ্য্যৰ পৰা অনুপ্ৰাণিত হৈ ডিজাইন কৰা মন্দিৰটোৰ সাতটা শিখৰৰ প্ৰতিটোৱেই ইউ এ ইৰ এখন আমিৰাটৰ প্ৰতীক চিহ্নিত কৰে। মন কৰিবলগীয়া যে, অযোধ্যা ৰাম মন্দিৰৰ দৰে এই মন্দিৰ নিৰ্মাণৰ বাবেও ব্যৱহাৰ কৰা হোৱা নাই লোহা আৰু তীখা। মন্দিৰৰ উদ্বোধনী অনুষ্ঠান সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ এটা পঞ্জীয়ন পৰ্টেল স্থাপন কৰা হৈছে আৰু সকলো আমিৰাটৰ পৰা পৰিবহণৰ ব্যৱস্থা কৰা হৈছে। ইউ এ ইৰ ১৫০ টা ভাৰতীয় সামূহিক সংগঠনৰ উদ্যোগত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইফালে, মন্দিৰ উদ্বোধনৰ পূৰ্বে ১২ ফেব্ৰুৱাৰীত সম্প্ৰীতিৰ বাবে এক প্ৰতীকী 'যজ্ঞ'ও অনুষ্ঠিত
কৰা হয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ড্ৰোন উৰুৱাই কৃষকক বাধা প্ৰদান

পঞ্জাব-দিল্লী, উত্তৰ প্ৰদেশ-দিল্লী সীমান্তত আজি পুৱাৰে পৰা পৰিলক্ষিত হয় যুদ্ধ সদৃশ পৰিস্থিতিৰ৷ কৃষকে ঘোষণা কৰা আন্দোলন মষিমূৰ কৰিবলৈ তিনি ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি কন্দুৱা গেছ ব্যৱহাৰ কৰাৰ লগতে ঠায়ে ঠায়ে লাঠিচালনা কৰাও দেখা যায়৷ হাৰিয়ানা, পঞ্জাৱ আৰু উত্তৰ প্ৰদেশ সীমান্তত আৰক্ষীয়ে পথত পকী বেৰিকেড নিৰ্মাণ কৰাৰ লগতে পথত লোৰ শলা বহুৱাই পথ সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়ে৷ আজি পুৱাৰে পৰা হাৰিয়ানা, উত্তৰ প্ৰদেশ আৰু পঞ্জাৱৰ কেইবা হাজাৰ কৃষকে ট্ৰেক্টৰ আৰু ট্ৰলী লৈ দিল্লী অভিমুখে যাত্ৰা আৰম্ভ কৰে৷ পুৱতি নিশাৰে পৰা হাজাৰ হাজাৰ কৃষকে পথত যাত্ৰা আৰম্ভ কৰাত স্তব্ধ হৈ পৰে ৰাষ্ট্ৰীয় ঘাইপথ৷ ইতিপূৰ্বে পঞ্জাৱ, হাৰিয়ানা আৰক্ষীয়ে দুয়ো ৰাজ্যৰ সীমান্তত পকী বেৰিকেড নিৰ্মাণ কৰি ৰাখিছে৷ হাৰিয়ানা চৰকাৰে আম্বালা, কুৰুক্ষেত্ৰ, কাইথাল, জিন্দ, হিছাৰ, ফতেহাবাদ আৰু চিৰচা জিলাত ইণ্টাৰনেট সেৱা কৰ্তন কৰিছে৷ ইমানে নহয়, সুদীৰ্ঘ এলেকাত লোৰ শলা বহুৱাই ৰখাৰ লগতে কাটা তাঁৰ দি পথ বন্ধ কৰিছে৷ প্ৰতিবাদী কৃষকক ভেটা দিবলৈ কেইবা হাজাৰ নিৰাপত্তাৰক্ষী নিয়োগ কৰিছে চৰকাৰে৷ নিৰপত্তাৰক্ষীক দেখি এনে লাগিছে যেন পাকিস্তানৰ বিৰুদ্ধে যুদ্ধৰ বাবেহে সাজু হৈছে ভাৰত৷ নিম্নতম সমৰ্থন মূল্যসহ মুঠ ১১টা দাবীক লৈ পূৰ্বে ঘোষণা কৰা আন্দোলন কৰিবলৈ ওলাই অহাত কৃষক আৰু নিৰাপত্তাৰক্ষীৰ মাজত ভয়াবহ সংঘৰ্ষৰ সৃষ্টি হৈছে। পুৱাই হাৰিয়ানা আৰু পঞ্জাৱ সীমান্তত প্ৰস্তাৱিত ‘দিল্লী চলো’ পদযাত্ৰা বন্ধ কৰি দিয়া হয়। আৰক্ষীয়ে ফতেহগড় চাহেবৰ পৰা শম্ভু সীমান্তত সমবেত কৃষকসকলৰ ওপৰতো কন্দুৱা গেছ নিক্ষেপ কৰে। সিংগু সীমান্ত, টিক্ৰী সীমান্ত আৰু গাজীপুৰ সীমান্তত কন্দুৱা গেছ ব্যৱহাৰ কৰাৰ লগতে লাঠিচালনাপৰ্যন্ত কৰে নিৰাপত্তাৰক্ষীয়ে৷ ফটেহগড় চাহেবৰ পৰা শম্ভু সীমান্তত সমবেত কৃষকৰ ওপৰত কন্দুৱা গেছ নিক্ষেপ কৰে নিৰাপত্তাৰক্ষীয়ে৷ কিন্তু বহু প্ৰয়াসৰ পাছতো কৃষকক ছত্ৰভংগ নিয়াবলৈ সফল নহ’ল নিৰাপত্তাৰক্ষী৷ কেইবা হাজাৰ নিৰাপত্তাৰক্ষীয়ে কোনো কাৰণত কৃষকক দিল্লী অভিমুখে মৰ্চা উলিয়াবলৈ নিদিয়াৰ সংকল্প লৈ সষ্টম হৈ থকা দেখা যায়৷ আইটিবিপি, বিএছএফৰ লগতে বৃহৎ সংখ্যক আৰক্ষী মোতায়েন কৰা হৈছে। আজি কৃষকসকলে বহু ঠাইত বেৰিকেড ভাঙি পেলায়। কিন্তু সিংগু, টিক্ৰী আৰু গাজীপুৰ সীমান্তত বাহৰ পতা কৃষকসকলে ৰাজপথতে নিশা পাৰ কৰিব৷ ইফালে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি আৰু কৃষকৰ মাজত আলোচনা অনুষ্ঠিত হৈছিল যদিও আলোচনা বিফল হয়৷ কৃষকসকলে প্ৰথমে দিল্লী সীমান্তত একত্ৰিত হোৱাৰ পৰিকল্পনা কৰে আৰু তাৰ পাছত ভৱিষ্যতৰ ৰণনীতিৰ বিষয়ে সিদ্ধান্ত লোৱাৰ পৰিকল্পনা কৰে। চৰকাৰে কয় যে আলোচনা অব্যাহত থাকিব। আনহাতে, কৃষকসকলেও পৰৱৰ্তী আলোচনাৰ বাবে সাজু আছে। কেন্দ্ৰীয় মন্ত্ৰী অৰ্জুন মুণ্ডাই কৃষকৰ প্ৰতিবাদ সন্দৰ্ভত বক্তব্য ৰাখি আজি কয় যে কৃষকসকলৰ সৈতে দুবাৰৰ আলোচনা অমীমাংসিত হোৱা নাই, সমাধানৰ বাবে অধিক আলোচনাৰ প্ৰয়োজন। মুণ্ডাই কয় যে আলোচনাৰ জৰিয়তে সমাধান সম্ভৱ। এক উপায় বিচাৰিবলৈ সাজু। কৃষকসকলে মনত ৰাখিব লাগে যে কিছুমান উপাদানে সুবিধা ল'বলৈ চেষ্টা নকৰে যেন। উচ্চ ন্যায়ালয়েও এই বিষয়ত হস্তক্ষেপ কৰিছে। আদালতে কৈছে যে আইন-শৃংখলা বজাই ৰাখিব লাগে, বল প্ৰয়োগ অন্তিম উপায় হ'ব লাগে। পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে কয় যে আইন-শৃংখলা বজাই ৰাখিব লাগে আৰু সকলো সমস্যা সৌহাৰ্দ্যপূৰ্ণভাৱে সমাধান কৰিব লাগে। সকলো পক্ষই বহি বিষয়টো সমাধান কৰা উচিত। ইফালে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ছ'চিয়েল মিডিয়া এক্সত কৃষকসকলৰ দাবীক ন্যায়সংগত বুলি কয়। কংগ্ৰেছে চৰকাৰ আহিলে এমএছপি আইন প্ৰস্তুত কৰাৰ প্ৰতিশ্ৰুতি দিয়ে গান্ধীয়ে৷ সাংসদ ৰাহুল গান্ধীয়ে কয়, ''আজি কৃষকসকলে দিল্লী অভিমুখে যাত্ৰা কৰিছে। তেওঁলোকক বাধা দিয়া হৈছে, তেওঁলোকৰ ওপৰত কন্দুৱা গেছ নিক্ষেপ কৰা হৈছে। তেওঁলোকে কেৱল তেওঁলোকৰ শ্ৰমৰ ফল বিচাৰিছে। বিজেপি চৰকাৰে এম এছ স্বামীনাথনক ভাৰত ৰত্ন ঘোষণা কৰিছিল, কিন্তু তেওঁলোকে এম এছ স্বামীনাথনে কোৱা কথাবোৰ কাৰ্যকৰী কৰিবলৈ সাজু নহয়। যদি আমাৰ চৰকাৰ গঠন হয়, আমি এমএছপি আইন কাৰ্যকৰী কৰিম।’’ কৃষকৰ পদযাত্ৰা সন্দৰ্ভত কৃষক নেতা ৰাকেশ টিকাইটে কয় যে এমএছপি গেৰাণ্টি আইন আৰু স্বামীনাথন সমিতিৰ প্ৰতিবেদন, বিদ্যুৎ সংশোধনী বিধেয়ক আৰু ঋণ ৰেহাই সমগ্ৰ দেশৰ কৃষকসকলৰ সমস্যা। বহু কৃষক সংগঠন আছে আৰু তেওঁলোকৰ বিভিন্ন সমস্যা আছে। যদি চৰকাৰে দিল্লী অভিমুখে যাত্ৰা কৰা এই কৃষকসকলৰ বাবে কোনো সমস্যাৰ সৃষ্টি কৰে, আমি তেওঁলোকৰ পৰা বেছি দূৰত নাই। আমি তেওঁলোকৰ সমৰ্থনত আছো। উল্লেখ্য যে, কৃষকে সকলে নূন্যতম সমৰ্থন মূল্যৰ উপৰিও কৃষকৰ বাবে পেন্সন, কৃষি ঋণ মাফ, গোচৰ প্ৰত্যাহাৰ, লখিমপুৰ খেৰী হিংসাৰ ভুক্তভোগীক ন্যায়, ভূমি অধিগ্ৰহণ আইন ২০১৩ পুনৰুদ্ধাৰ আৰু ২০২১ৰ আন্দোলনত নিহতৰ পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ দাবী জনাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজ্যিক ফলৰ

বিশেষভাৱে চাহিদা থকা কাজি নেমুক জাতীয় ফল হিচাপে মৰ্যাদা কৰাৰ বিষয়ে বিধানসভাত ঘোষণা কৰে কৃষিমন্ত্ৰী অতুল বৰাই। উল্লেখ্য যে, ২০১৯ চনৰ ৫ জানুৱাৰীত জি আই টেগ প্ৰদান কৰা হৈছিল অসমত উৎপাদিত কাজি নেমুক। জি আই টেগ লাভ কৰাৰ পিছত অসমৰ সামগ্ৰীসমূহে এক নিৰ্দিষ্ট পৰিচয় লাভ কৰাৰ লগতে ভৱিষ্যতে ব্যৱসায়িকভাৱেও লাভান্বিত হোৱাৰ আশা প্ৰকাশ কৰে মন্ত্ৰী অতুল বৰাই। প্ৰণিধানযোগ্য যে, অসমত উৎপাদিত ৭০ হাজাৰ কাজি নেমু সম্প্ৰতি বিদেশলৈ ৰপ্তানি কৰা হৈছে। ডুবাই, লণ্ডন, আবুধাবি, কাটাৰৰ বজাৰত এতিয়া চাহিদা বৃদ্ধি পাইছে সুকীয়া বৈশিষ্ট্য থকা অসমৰ কাজি নেমুৰ। ইফালে কাজি নেমুক জাতীয় ফল হিচাপে ঘোষণা কৰাৰ পিছত অসমৰ থলুৱা কৃষকসকলে আনন্দ প্ৰকাশ কৰাৰ সমান্তৰালভাৱে কাজি নেমুৰ সঠিক বজা মূল্য নিৰূপণ কৰা হ'ব বুলিও আশা প্ৰকাশ কৰিছে।

# অখিলেশৰ সংগ ত্যাগ স্বামী প্ৰসাদ মৌৰ্যৰ, চৱন বিজেপিলৈ

নতুন দিল্লী, ১৩ ফেব্ৰুৱাৰীঃ লোকসভা নিৰ্বাচনৰ সমাজবাদী পাৰ্টিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক পদৰ পৰা পদত্যাগ কৰিছে স্বামী প্ৰসাদ মৌৰ্যই। মৌৰ্যই কয় যে কোনো পদ অবিহনেও দলৰ হৈ কাম কৰি যাব। দলৰ মুৰব্বীলৈ প্ৰেৰণ কৰা এখন পত্ৰত মৌৰ্যই কয় যে মই সমাজবাদী পাৰ্টিত যোগদান কৰাৰ পিছৰে পৰা, মই নিৰন্তৰ দলৰ গণধাৰ বৃদ্ধি কৰিবলৈ চেষ্টা কৰিছো। দলটো নিৰন্তৰ ভাৱে নিষ্ক্ৰিয় হোৱাৰ পাছতো ২০২২ চনৰ বিধানসভা নিৰ্বাচনত দলৰ ভেটি বৃদ্ধি কৰাত সফল হৈছো। ২০১৭ চনত আছিল মাত্ৰ ৪৫ জন বিধায়ক। ২০২২ চনৰ বিধায়কৰ সংখ্যা বৃদ্ধি কৰা বুলি দাবী কৰে স্বামী প্ৰসাদ মৌৰ্যই। সমাজবাদী পাৰ্টিৰ বিধান পৰিষদৰ সদস্য মৌৰ্যই দলৰ সভাপতিলৈ লিখা পত্ৰত নিজৰ ধৰণে দলৰ গণ ভেটি সম্প্ৰসাৰিত কৰি আহিছে আৰু 'ভাৰতীয় জনতা পাৰ্টিৰ জালত আৱদ্ধ জনজাতীয়, দলিত আৰু পিছপৰা শ্ৰেণীৰ লোকসকলৰ 'আত্মসন্মান' জাগ্ৰত কৰিবলৈ চেষ্টা কৰিছে বুলি কয় তেওঁ। আনহাতে এদিন পূৰ্বে কংগ্ৰেছ ত্যাগ কৰা মহাৰাষ্ট্ৰৰ কংগ্ৰেছ নেতা প্ৰাক্তন মুখ্যমন্ত্ৰী অশোক চৱনে আজি বিজেপিত যোগদান কৰে। বিজেপি নেতা তথা মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়ণবীছৰ উপস্থিতিত ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰে চৱনে। যোগদানৰ পাছতে দেৱেন্দ্ৰ ফাড়ণবীছ মহাৰাষ্ট্ৰৰ এজন শক্তিশালী নেতা হিচাপে চৱনক প্ৰশংসা কৰে।

# বল প্ৰয়োগ অন্তিম উপায় হ'ব লাগেঃ ন্যায়ালয়

**নতুন দিল্লী, ১৩ ফেব্ৰুৱাৰীঃ** হাৰিয়ানা-দিল্লী, দিল্লী-পঞ্জাৱ আৰু উত্তৰপ্ৰদেশ-দিল্লী সীমান্ত কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণ ৰূপে বন্ধ কৰি দিয়াত আদালতৰ কাষ চাপে কৃষক সংগঠনে। কৃষকৰ দিল্লী চলো পদযাত্ৰা বিফল কৰিবলৈ নিৰাপত্তাৰক্ষীয়ে বিভিন্ন এলেকাত পকী বেৰকেড বহুওৱাৰ লগতে লোৰ শলা বহুৱাই পপথ বন্ধ কৰি দিছে। কৃষকে সংগঠনে শান্তিপূৰ্ণ আন্দোলন কৰাৰ অধিকাৰ দাবী কৰি উচ্চ ন্যায়ালয়ৰ কাষ চাপে। এই সন্দৰ্ভত আজি শুনানি অনুষ্ঠিত হয়। উচ্চ ন্যায়ালয়ে এই বিষয়ত হস্তক্ষেপ কৰিছে। পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ে কয় যে আইন-শৃংখলা বজাই ৰাখিব লাগে, বল প্ৰয়োগ অন্তিম উপায় হ'ব লাগে। সকলো সমস্যা সৌহাৰ্দ্যপূৰ্ণভাৱে সমাধান কৰিব লাগে। সকলো পক্ষই বহি বিষয়টো সমাধান কৰা উচিত। আদালতে কয় যে পঞ্জাৱ আৰু হাৰিয়ানা চৰকাৰে বিষয়টো চোৱা উচিত, এটা নিৰ্দিষ্ট স্থানত প্ৰতিবাদ হোৱা উচিত। আদালতে এই বিষয়টোত কেন্দ্ৰ, পঞ্জাৱ আৰু হাৰিয়ানা চৰকাৰৰ পৰা স্থিতি সন্দৰ্ভত প্ৰতিবেদন বিচাৰিছে। দিল্লী চৰকাৰকো গোচৰত পাৰ্টী কৰা হৈছে। বিষয়টোক লৈ পুনৰ বৃহস্পতিবাৰে শুনানি অনুষ্ঠিত হ'ব। শুনানিৰ সময়ত উচ্চ ন্যায়ালয়ে আৰু কয় যে বাক আৰু অভিব্যক্তিৰ মৌলিক অধিকাৰৰ মাজত ভাৰসাম্য থাকিব লাগে। কোনো অধিকাৰ বেলেগ নহয়। আদালতে হাৰিয়ানাৰ যুক্তি লিপিবদ্ধ কৰিছিল যে ট্ৰেক্টৰবোৰ নতুন ৰূপ দিয়া হৈছে। কৃষকৰ হৈ অধিবক্তাই কয় যে ভাৰত এখন গণতান্ত্ৰিক গণৰাজ্য। ই ধৰ্মনিৰপেক্ষতা, গণতন্ত্ৰ, গণৰাজ্যৰ স্তম্ভৰ ওপৰত আধাৰিত। সংবিধানৰ অনুচ্ছেদ ১৩-৪০-ত এই নীতিবোৰৰ বিষয়ে বৰ্ণনা কৰা হৈছে। মৌলিক অধিকাৰে চেঞ্চৰশ্বিপ অবিহনে এই স্বাধীনতা প্ৰয়োগ কৰাৰ অনুমতি দিয়ে। এমএছপিৰ আইনক লৈ কেন্দ্ৰীয় চৰকাৰ আৰু কৃষকসকলৰ মাজত পুনৰ সংঘাত আৰম্ভ হৈছে। কৃষকসকলৰ 'দিল্লী চলো' পদযাত্ৰা প্ৰশাসনে বহু ঠাইত পথ বন্ধ কৰি দিছে।

## টুইটাৰত শিক্ষামন্ত্ৰী ব্ৰাত্যৰ বিস্ফোৰক অভিযোগ

# 'মোদী নাটক'ৰে পশ্চিমবংগ জয়ৰ কৌশল যুগুত বিজেপিৰ!

**কলকাতা, ১৩ ফেব্ৰুৱাৰীঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গুণানুকীৰ্ত্তন কৰা নাট প্ৰদৰ্শন কৰিলেহে বংগৰ নাট্যগোষ্ঠীসমূহক প্ৰদান কৰা হ'ব কেন্দ্ৰীয় অনুদান। পশ্চিমবংগ চৰকাৰৰ মন্ত্ৰী তথা নাট্যকাৰ ব্ৰত্য বসুৱে এই বিস্ফোৰক অভিযোগ উত্থাপন কৰাৰ পিছতে সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে নাট্যগোষ্ঠীসমূহক প্ৰধানমন্ত্ৰী মোদীৰ গুণানুকীৰ্ত্তন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা কিছু নিৰ্দেশনা প্ৰেৰণ কৰা হৈছে। তেওঁ লগতে কয় যে মোদীৰ উচ্চ প্ৰশংসা কৰিলে নাট্যগোষ্ঠীসমূহক কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা বিশেষ অনুদান আগবঢ়োৱাৰো প্ৰলোভন দিয়া হৈছে। মঙলবাৰে এক্স হেণ্ডেলত পোষ্ট কৰি ব্ৰত্য বসুৱে লিখিছে, "লোকসভা নিৰ্বাচনৰ পূৰ্বে কেন্দ্ৰৰ বিজেপি চৰকাৰে পশ্চিম বংগৰ সকলো নাট্যগোষ্ঠীলৈ দেশৰ প্ৰধানমন্ত্ৰীৰ মহিমামণ্ডিত আৰু গুণানুকীৰ্ত্তন কৰা এখন চুটি নাট প্ৰেৰণ কৰি সকলোতে প্ৰদৰ্শন কৰিবলৈ নিৰ্দেশ দিছে। মমতা বেনাৰ্জী চৰকাৰৰ শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে কয় যে, ''এই নিৰ্দেশৰ অৰ্থ হৈছে নাট্যগোষ্ঠীসমূহে এই নিৰ্দেশ পালন নকৰিলে কেন্দ্ৰই প্ৰেৰণ কৰা অনুদান আৰু ৰাজসাহায্য বন্ধ কৰা হ'ব।'' মঙলবাৰে ব্ৰত্যই নিজৰ পোষ্টৰ লগতে কেন্দ্ৰই প্ৰেৰণ কৰা ছয় পৃষ্ঠাৰ চুটি নাটকখনো পোষ্ট কৰে। হিন্দীত লিখা নাটকখনৰ নাম হৈছে 'লে আয়ে বাপছ সোনে কি চিৰিয়া' অৰ্থাৎ মই সোণৰ চৰাইটো ঘূৰাই আনিলোঁ। নাটখন ৰচনা কৰিছে ললিত প্ৰকাশে। নাটকখনৰ অৰ্থ ব্যাখ্যা কৰি (শিক্ষামন্ত্ৰীয়ে ইয়াক 'প্ৰধানমন্ত্ৰীক মহিমামণ্ডিত কৰা আৰু গুণানুকীৰ্ত্তন কৰা' বুলি উল্লেখ কৰিছে) ব্ৰত্যই লিখিছে, "যিহেতু পশ্চিম বংগৰ নাট্যগোষ্ঠীসমূহ বাওঁপন্থী ধৰ্মনিৰপেক্ষ, গতিকে আমি মাথোঁ আশা কৰিব পাৰোঁ যে তেওঁলোকে সকলোৱে এই লজ্জাহীন প্ৰস্তাৱটো বিতৃষ্ণাৰে নাকচ কৰিব।" মন্ত্ৰী ব্ৰত্যই পোষ্ট কৰা সেই নাটকৰ পৃষ্ঠাত মোদীয়ে 'বিকশিত ভাৰত', 'অখণ্ড ভাৰত' আদি বাক্যাংশও ব্যৱহাৰ কৰাও চকুত পৰে। প্ৰথম পৃষ্ঠাৰ শেষত প্ৰধানমন্ত্ৰী মোদীৰ নামো আছে। তাতে নাটকৰ এটা চৰিত্ৰই সূত্ৰধৰক সুধিছে, মোডীজীয়ে জি-২০ত কোৱা কথাখিনিৰ অৰ্থ কি? তেওঁ বসুধৈৰ কুটুম্বকম বুলি কি বুজাব বিচাৰিছে? শিক্ষামন্ত্ৰী ব্ৰত্য বসুৱে এই নাটকখনৰ জৰিয়তে মোদীক মহামণ্ডিত কৰা বুলি দাবী কৰে।

# প্ৰশিক্ষণৰ সময়তে বায়ুসেনাৰ বিমান দুৰ্ঘটনাগ্ৰস্ত

**কলকাতা, ১৩ ফেব্ৰুৱাৰীঃ** পশ্চিমবংগৰ খড়্গপুৰত মঙলবাৰে প্ৰশিক্ষণৰ সময়তে এখন বায়ুসেনাৰ বিমান দুৰ্ঘটনাগ্ৰস্ত হোৱাত কথমপি প্ৰাণ ৰক্ষা পৰে দুগৰাকী পাইলটৰ। খড়্গপুৰ থানা এলেকাৰ মুৰুকুনিয়া গাঁৱৰ এখন ধাননি পথাৰত কলাইকুণ্ডা এয়াৰবেছৰ বিমানখন ভূপতিত হোৱাৰ পূৰ্বে পেৰাচ্যুট ব্যৱহাৰ কৰি নিৰাপদে অৱতৰণ কৰে বিমানখনত থকা পাইলট দুগৰাকীয়ে। ইফালে মঙলবাৰে বিয়লি প্ৰায় ৩.৩৫ বজাত বায়ুসেনাৰ প্ৰশিক্ষণত ব্যৱহৃত বিমানখন দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ সময়ত হোৱা প্ৰচণ্ড শব্দই সমগ্ৰ অঞ্চলটোত আতংকৰ সৃষ্টি কৰে। এই শব্দৰ পিছতে ঘটনাস্থলীত আৰক্ষী বাহিনী উপস্থিত হৈ স্থানীয় লোকসকলক ঘটনাস্থলীৰ পৰা দূৰৈত থাকিবলৈ আহ্বান জনায়। আনহাতে দুৰ্ঘটনাৰ পিছত কিছু মুহূৰ্তৰ ভিতৰত সেই স্থানত উপস্থিত হয় কলাইকুণ্ডা এয়াৰবেছৰ বায়ুসেনাৰ বিষয়াও। দুৰ্ঘটনাৰ বিষয়ে ভাৰতীয় বায়ুসেনাই এক্স হেণ্ডেলযোগে অৱগত কৰি কয় যে পশ্চিমবংগৰ কলাইকুণ্ডাত প্ৰশিক্ষণ অনুশীলনৰ সময়তে বায়ুসেনাৰ হক ১৩২ প্ৰশিক্ষণ বিমানখন দুৰ্ঘটনাগ্ৰস্ত হয়। অৱশ্যে দুৰ্ঘটনাৰ ঠিক পূৰ্বে পেৰাচ্যুটেৰে নিৰাপদে বাহিৰলৈ ওলাই আহে দুয়োগৰাকী পাইলট। এই দুৰ্ঘটনাৰ কাৰণ জানিবলৈ এখন তদন্ত সমিতি গঠন কৰা বুলিও জানিবলৈ দিয়ে ভাৰতীয় বায়ু সেনাই।

# কলাক্ষেত্ৰত অসম বৈভৱ, অসম সৌৰভ, অসম গৌৰৱ বঁটা প্ৰদান

## উপ-ৰাষ্ট্ৰপতি, ৰাজ্যপালৰ উপস্থিতিত বঁটা গ্ৰহণ




**ই-সংবাদ, ১৩ ফেব্ৰুৱাৰীঃ** মঙলবাৰে প্ৰদান কৰা হ'ল ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান ক্ৰমে অসম বৈভৱ, অসম সৌৰভ আৰু অসম গৌৰৱ বঁটা। দেশৰ উপ-ৰাষ্ট্ৰপতি জগদ্বীপ ধনখড়, ৰাজ্যপাল গোলাপ চান্দ কাটাৰিয়া, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিশিষ্ট ব্যক্তিসকলৰ উপস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এক গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত মঙলবাৰে প্ৰদান কৰা হয় এই বঁটা। উল্লেখ্য যে, এইবাৰৰ ৰাজ্যৰ সৰ্বোচ্চ অসামৰিক সন্মান অসম বৈভৱ বঁটাৰে সন্মানিত কৰা হৈছে দেশৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ তথা ৰাজ্যসভাৰ সাংসদ ৰঞ্জন গগৈক। আনহাতে দ্বিতীয় সৰ্বোচ্চ অসামৰিক সন্মান অসম সৌৰভ বঁটাৰে এইবাৰ সন্মানিত কৰা হৈছে চাৰিগৰাকীকৈ বিশিষ্ট ব্যক্তিক। চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা উত্তৰ প্ৰদেশৰ নিৱাসী ড০ কিষাণ চান্দ নৰিয়াৰ লগতে দৌৰবিদ হিমা দাস, সাঁতোৰবিদ এলভিছ আলী হাজৰিকা আৰু তিৱা সাহিত্য-সংস্কৃতিৰ গৱেষক নাদিৰাম দেউৰীক এইবাৰ অসম সৌৰভ বঁটাৰে সন্মানিত কৰা হৈছে। একেদৰে এইবাৰ ৰাজ্যৰ ১৬ গৰাকী ব্যক্তিলৈ আগবঢ়োৱা হৈছে অসম গৌৰৱ বঁটা। যাৰ ভিতৰত আছে অলপতে কেন্দ্ৰীয় চৰকাৰৰ পৰা পদ্মশ্ৰী সন্মানেৰে সন্মানিত হোৱা দেশৰ একমাত্ৰ মহিলা হস্তী বিশেষজ্ঞ পাৰ্বতী বৰুৱা, লোক সংস্কৃতিৰ অন্যতম সাধক দ্ৰোণ ভুঞা, বিহুৱা ৰঞ্জিত গগৈৰ দৰে ব্যক্তিও। ইয়াৰোপৰি আজি বিশিষ্ট সংগীত শিল্পী দেৱজিত চাংমাই, নীলম দত্ত, অনুপম ডেকা, সৌমদ্বীপ দত্ত, বসন্ত চিৰিং ফুকন, মনেন্দ্ৰ ডেকা, মিনাক্ষী চেতিয়া, পখিলা লেকথেপি, তেঞ্জিং বড়োছা, ড০ নিৰ্মল দে, জেচিন কোম্বাও ফাও, মেৰী হাছা আৰু ৰাহুল গুপ্তাক অসম গৌৰৱ বঁটা প্ৰদান কৰা হয়। উল্লেখ্য যে, অসম বৈভৱ বঁটাৰ লগত আছে এখন প্ৰশস্তিপত্ৰ, প্ৰমাণপত্ৰ, পদক আৰু ৫ লাখ টকাৰ এক আৰ্থিক অনুদান। অসম সৌৰভ বঁটাৰ লগত আছে এখন প্ৰশস্তিপত্ৰ, প্ৰমাণপত্ৰ, পদক আৰু ৪ লাখ টকাৰ আৰ্থিক অনুদান। অসম গৌৰৱ বঁটাৰ লগত আছে এখন প্ৰশস্তিপত্ৰ, প্ৰমাণপত্ৰ, পদক আৰু ৩ লাখ টকাৰ আৰ্থিক অনুদান।

# মাজুলীত নিৰ্বাচনী ৰণডংকা ভবেশ কলিতাৰ




**ই-সংবাদ, মাজুলী, ১৩ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে আজি মাজুলীৰ গড়মূৰস্থিত মিনি ষ্টেডিয়ামত এখন জনসভাত অংশ লয় প্ৰদেশ বিজেপিৰ সভাপতি ভবেশ কলিতাই। জনসভাত ভাষণ দি কলিতাই নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপি চৰকাৰৰ সু-শাসনৰ বাবেই ২০১৪ চনৰ পৰা দেশত তথা অসমত অভুতপূৰ্ব উন্নয়ন সম্ভৱ হৈছে বুলি দাবী কৰে৷ ভবেশ কলিতাই লগতে কয় যে জনতাৰ জনসমৰ্থন লাভ কৰি আগন্তুক লোকসভা নিৰ্বাচনত ৩৫০ খন আসন লাভ কৰি নৰেন্দ্ৰ মোদীয়ে তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিব। আজিৰ সভাত বহু লোকে বিজেপিত যোগদান কৰে৷ বিজেপিত যোগদান কৰা লোকসকলক আদৰণি জনাই ভবেশ কলিতাই। মাজুলীলৈ আহি ভাল লাগিছে বুলি উল্লেখ কৰি কলিতাই কয় যে উন্নয়নৰ মুখ দেখা মাজুলীত আজি যি দুখন পকী দলং হৈছে তাৰ মূলতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। দৰিদ্ৰৰ হৈ কাম কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মহিলা সমাজক সন্মান দিছে। অসম তথা ভাৰতক আগুৱাই নিব একমাত্ৰ বিজেপি চৰকাৰে। পথ যাতায়তৰ ক্ষেত্ৰত সমগ্ৰ অসমতে উন্নয়ন হৈছে। অন্যান্য দলসমূহে অসম তথা মাজুলীবাসীক দীৰ্ঘদিন ধৰি ৰামঠগন দিলে। কিন্তু বিজেপিৰ নেতৃত্বত উন্নয়নৰ বা বলিছে সমগ্ৰ ভাৰততে। মাজুলী, যোৰহাট, ধেমাজি, লক্ষিমপুৰ বাসীক দীৰ্ঘদিনে প্ৰতাৰণা কৰা কংগ্ৰেছ দল ৰাইজৰ দ্বাৰা প্ৰত্যাখিত বুলি ব্যক্ত কৰি বিজেপি চৰকাৰেহে ৰাইজক সুশাসন দিব বুলিও কয় কলিতাই। সভাত সাংসদ তপন গগৈ, মাজুলীৰ বিধায়ক ভুবন গাম, জিলা সমিতিৰ সম্পাদক নৃপেন কমান, সভাপতি বীৰেন শইকীয়া উপস্থিত থাকে। বিধায়ক ভুবন গামে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সকলোৱে ভাল পোৱাৰ বিষয়ে উল্লেখ কৰি ৰেচন কাৰ্ড, আয়ুস্মান, উজ্বলা, নিবনুৱা সমস্যা সমাধান, বসুন্ধৰা, আত্মসহায়ক গোটক সহায় আদিৰ প্ৰসংগ উল্লেখ কৰে।

# জেইইত আজমল ছুপাৰ ফৰটিৰ সাফল্য

**ই-সংবাদ, ১৩ ফেব্ৰুৱাৰীঃ** নিটৰ দৰেই যুটীয়া প্ৰৱেশ পৰীক্ষাতো (মেইনছ) উজ্বলি উঠিছে বদৰুদ্দিন আজমলৰ পৰিয়ালে পৰাচিলনা কৰা শিক্ষানুষ্ঠান৷ শেহতীয়াকৈ ঘোষণা কৰা সৰ্বভাৰতীয় যুটীয়া প্ৰৱেশ পৰীক্ষাত চমকপ্ৰদ সফলতা লাভ কৰিছে বদৰুদ্দিন আজমলৰ পৰিয়ালৰ আজমল ছুপাৰ ফৰটি নামৰ অনুষ্ঠানটোৱে৷ ৯৯.৩৩ শতাংশ নম্বৰ লাভ কৰি চন্দনজ্যোতি মোহনে আজমল চুপাৰ ফৰটিৰ পৰা স্থান হৈছে৷ আজমল পৰিয়ালৰ দাতব্য সংস্থা আজমলৰ ফাউণ্ডেচনৰ অধীনৰ আজমল চুপাৰ ফৰটিৰ চন্দনজ্যোতি মোহনে ৯৯.৩৩ শতাংশ, নাজমুজ চাকিবে ৯৯.২৯ শতাংশ, মাৰুফ ইমতিয়াজে ৯৯.২৩ শতাংশ, মুমিনাৰা ইয়াছমিনে ৯৮.৯৮ শতাংশ, মেহদি হাচানে ৯৮.৮ শতাংশ আৰু কৰণ বড়োৱে ৯৮.৫৪ শতাংশ লাভ কৰি স্থান লাভ কৰে৷ ৪০জনৰ ভিতৰত ৩৬গৰাকী শিক্ষাৰ্থীয়ে যুটীয়া প্ৰৱেশ পৰীক্ষাত স্থান লাভ কৰিছে৷

## শেষ পৃষ্ঠা

# কঠোৰ স্থিতি বৰ্ডৰ

**মুম্বাই, ১৩ ফেব্ৰুৱাৰীঃ** ক্ৰিকেটাৰ সকলে ৰঞ্জি ট্ৰফিত অংশগ্ৰহণ নকৰাকলৈ কঠোৰ স্থিতি গ্ৰহণ কৰিছে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে। আজি এক বিজ্ঞপ্তি যোগে বি চি চি আয়ে প্ৰকাশ কৰিছে যে যিসকল ক্ৰিকেটাৰ জাতীয় দলত নাই তেওঁলোকে ৰঞ্জি ট্ৰফি খেলত অংশগ্ৰহণ কৰাটো বাধ্যতামূলক। অৱশ্যে ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীত পুনৰ্বাসনত থকা সকলকো ইয়াৰ পৰা ৰেহাই দিয়া হৈছে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকা ভ্ৰমণৰ পৰা অহাৰ পিছত ঈশান কিষাণ ৰাষ্ট্ৰীয় দলটো নাই আনকি তেওঁ নিজ ৰাজ্য ঝাড়খণ্ডৰ হৈ ৰঞ্জিতো ভাগ লোৱা নাই। ঈশানৰ নীতিকে অনুসৰণ কৰিছে ক্ৰুনাল পণ্ডিয়া আৰু দীপক চাহাৰে। সেয়ে এনে কঠোৰ সিদ্ধান্ত লবলৈ বাধ্য হৈছে বি চি চি আই। ইংলেণ্ডৰ বিৰুদ্ধে চলিত টেষ্ট শৃংখলাৰ অন্তিম তিনিখন টেষ্টত দলত স্থান নোপোৱা শ্ৰেয়াৰ্ছ আয়াৰৰ ক্ষেত্ৰতো এই নিয়ম প্ৰযোজ্য হ'ব।

## আইচিচি ৰেংকিং

# মাহটোৰ শ্ৰেষ্ঠ যোছেফ

**ডুবাই, ১৩ ফেব্ৰুৱাৰীঃ** ৱেষ্ট ইণ্ডিজৰ নবাগত তাৰকা চামাৰ জোছেফ আই চি চিৰ জানুৱাৰী মাহৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰ বিবেচিত হৈছে। বিগত মাহত ব্ৰীছবেনত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৬৮ ৰানত সাতটা উইকেট দখল কৰি ২৭ বছৰ মুৰত অষ্ট্ৰেলিয়াৰ মাটিত টেষ্ট জয় কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল তেওঁ। মাত্ৰ দুখন টেষ্টত ভাগলৈ পেচাৰজনে ১৩ উইকেট দখল কৰিছে। অষ্ট্ৰেলিয়াক নিজ ভূমিত পৰাজিত কৰি তেওঁ ৰাতিৰ ভিতৰতে তাৰকাৰ শাৰীত উপনিত হৈছে। উল্লেখ্য যে মাহটোৰ শ্ৰেষ্ঠ ক্ৰিকেট বিবেচিত হোৱা জোছেফ প্ৰথম কেৰিবিয়ান খেলুৱৈ।



■ মালয়েছিয়াত চলি থকা 'বেডমিণ্টিন এছিয়া টীম চেম্পিয়নশ্বিপ'ৰ এটি মুহূৰ্ত

# হেলমেট নিপিন্ধা বাইক আৰোহীয়ে কাটিলে আৰক্ষীৰ আঙুলি

**অনলাইন ফিচাৰ্ছ, ১৩ ফেব্ৰুৱাৰীঃ** হেলমেট পৰিধান নকৰাকৈ গাড়ী চলোৱাত বাধা দিয়াৰ বাবে আৰক্ষীৰ ওপৰতে আক্ৰমণ চলাই আঙুলি কাটি পেলালে এজন স্কুটী আৰোহীয়ে। সোমবাৰে বাংগালুৰুত সংঘটিত এই ঘটনাৰ পিছতে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে ২৮ বৰ্ষীয় স্কুটি চালকজনক। ধৃত অভিযুক্তজনৰ পৰিচয় বাংগালুৰুৰ বিটিএম নিৱাসী চৈয়দ শ্বফী বুলি প্ৰকাশ কৰিছে আৰক্ষীয়ে। আৰক্ষীৰ তথ্য অনুসৰি, সোমবাৰে পুৱা ১১.৩০ বজাৰ পৰা ১২ বজাৰ ভিতৰত হেলমেট পৰিধান নকৰাকৈ স্কুটি চলাই গৈছিল যুৱকজনে। সেই সময়ত কৰ্তব্যৰত হৈ থকা হেড কনিষ্টবল সিদ্ধাৰমেশ্বৰ কৌজালাগীয়ে মোবাইল ফোনত যুৱকজনৰ ফটো তুলি তেওঁৰ বিৰুদ্ধে এক গোচৰ ৰুজু কৰে। আৰু তাৰ পিছতে খঙত খৰ্গহস্ত হৈ পৰা চৈয়দ শ্বফীয়ে প্ৰথমে আৰক্ষী জোৱানজনৰ মোবাইল ফোনটো কাঢ়ি নিয়ে আৰু কিয় ফটো তুলিব বুলি উভতি ধৰি তেওঁৰ হাতৰ এটা আঙুলি কাটি পেলায়। এই আক্ৰমণ সংঘটিত কৰি অভিযুক্ত যুৱকজনে পলায়নৰ চেষ্টা চলায় যদিও আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ইতিমধ্যে অভিযুক্তৰ বিৰুদ্ধে উইলছন গাৰ্ডেন আৰক্ষী থানাত ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩৯২ (ডকাইতিৰ শাস্তি), ৩৪১ (অনুচিত সংযমৰ শাস্তি), ৩৩২ (ৰাজহুৱা কৰ্মচাৰীক কৰ্তব্যৰ পৰা আঁতৰাই ৰাখিবলৈ স্বেচ্ছাই আঘাত কৰা), ৫০৪ (শান্তি ভংগৰ উদ্দেশ্যেৰে ইচ্ছাকৃতভাৱে অপমান) আৰু ৫০৬ (অপৰাধমূলক ভয় দেখুৱাই শাস্তি)ৰ অধীনত গোচৰ ৰুজু কৰা হৈছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত

বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান